**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-06-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
----------------------------

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তিনিচুকীয়া সংমণ্ডলৰ অধীনস্থ দুলীয়াজান-ডিব্ৰুগড় খণ্ডৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেই কেইবাখনো দূৰণিবতীয়া ৰে'লগাড়ী সম্পূৰ্ণকৈ বৈদ্যুতিক ইঞ্জিনেৰে চলোৱাৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি ডিব্ৰুগড় আৰু নতুন দিল্লীৰ মাজত চলাচল কৰা ১২৪২৪ আৰু ১২৪২৩ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছ, গুৱাহাটী আৰু হাওৰাৰ মাজত মাজত চলাচল কৰা শৰাইঘাট এক্সপ্ৰেছ, ৰাজেন্দ্ৰ নগৰ আৰু কামাখ্যাৰ মাজত চলাচল কৰা কেপিটেল এক্সপ্ৰেছ, শিলঘাট আৰু কলকাতাৰ মাজত চলাচল কৰা সাপ্তাহিক কাজিৰঙা এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনৰ সম্পূৰ্ণ যাত্ৰা পথত বৈদ্যুতিক ইঞ্জিন ব্যৱহাৰ কৰা হ'ব। পৰ্যায়ক্ৰমে আন কেইবাখনো ৰে'লগাড়ীও সম্পূৰ্ণৰূপে বৈদ্যুতিক ইঞ্জিনেৰে চলোৱা হ'ব বুলি ৰে'ল বিভাগৰ সূত্ৰই জনাইছে। ইয়াৰ ফলত ডিজেলৰ বাবদ ব্যয় হোৱা বৃহৎ পৰিমাণৰ ধন ৰাহি হোৱাৰ লগতে বায়ু প্ৰদূষণো বহুখিনি নিয়ন্ত্ৰিত হ'ব বুলি আশা কৰা হৈছে।

আনহাতে, ৰে'ল বিভাগে অহা ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো শ্ৰেণীৰ যাত্ৰীৰ ভাৰা সামান্য বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। ক'ভিড মহামাৰীৰ পাছত ভাৰতীয় ৰে'লে এয়ে প্ৰথমবাৰৰ বাবে যাত্ৰী ভাৰা বৃদ্ধিৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি এক্সপ্ৰেছ আৰু মেইল গাড়ীৰ ক্ষেত্ৰত শ্লিপাৰ শ্ৰেণীৰ ভাৰা প্ৰতি কিলোমিটাৰত ১ পইচাকৈ আৰু শীতোতাপ নিয়ন্ত্ৰিত শ্ৰেণীৰ ক্ষেত্ৰত প্ৰতি কিলোমিটাৰত ২ পইচাকৈ বৃদ্ধি কৰা হৈছে। অৱশ্যে ৫০০ কিলোমিটাৰ তলৰ দূৰত্বৰ সাধাৰণ শ্ৰেণীৰ আৰু উপ-মহানগৰীয় ৰে'ল ভাৰাৰ ক্ষেত্ৰত এই বৃদ্ধি প্ৰযোজ্য নহ'ব।

০০০০০০০

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ কাইলৈ সামৰণি পৰিব। পুৱা ৩ বাজি ২৭ মিনিটত অম্বুবাচীৰ নিবৃত্তিৰ পাছত দেৱীস্নান, নিত্য পূজা অন্তত মন্দিৰৰ মূল দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব। কামাখ্যা ধামত আজি চতুৰ্থ দিনাও উখল-মাখল পৰিৱেশ অব্যাহত আছে। সাধু-সন্ন্যাসী আৰু দেশী-বিদেশী হাজাৰ বিজাৰ ভক্তৰ উপস্থিতিত মন্দিৰস্থলীত আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে।

মহাযোগৰ সময়ছোৱাত যাতে ভক্তসকলে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে আৰক্ষী-প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে পৰিস্থিতি তদাৰক কৰি আছে।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত ভাৰতত নিযুক্ত সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ইৰ ৰাষ্ট্ৰদূত আব্দুলনাছিৰ আলছালীক সাক্ষাৎ কৰে। বৈঠকত তেওঁলোকে ভাৰত আৰু ইউ এ ইৰ মাজত ঘনিষ্ঠ সহযোগিতাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলে কিদৰে কেন্দ্ৰীয় ভূমিকা পালন কৰিব পাৰে, সেই বিষয়ে আলোচনা কৰে।

ইউ এ ইয়ে অসমৰ সৈতে বাণিজ্য সম্প্ৰসাৰণ, সংযোগ মজবুতকৰণ আৰু বিনিয়োগৰ সম্ভাৱনা অন্বেষণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০০০

১৯৭৫ চনত দেশত জৰুৰী অৱস্থা ঘোষণাৰ ৫০ বছৰ পূৰ্ণ হোৱা দিনটো আজি দেশত সংবিধান হত্যা দিৱস হিচাপে পালন কৰা হৈছে। সেই সময়ত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰী অৱস্থা ঘোষণা কৰি সমগ্ৰ দেশতে ৰাজনৈতিক দলৰ নেতা-কৰ্মী, সাংবাদিক, শ্ৰমিক-সংগঠনৰ নেতাকে ধৰি প্ৰায় ডেৰ লাখ লোকক কাৰাৰুদ্ধ কৰিছিল আৰু সংবাদ মাধ্যমৰ স্বাধীনতা বিলুপ্ত কৰিছিল। ভাৰতীয় জনতা পাৰ্টী আৰু ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘকে ধৰি ভালেমান সংগঠনে আজি অসমতো সংবিধান হত্যা দিৱসৰ আয়োজন কৰিছে। এই দিৱসত দেশৰ সাংবিধানিক পৰম্পৰা আৰু বাক স্বাধীনতা যাতে কোনপধ্যেই খৰ্ব নহয়, সেইক্ষেত্ৰত কাম কৰি যাবলৈ সকলো সংকল্পবদ্ধ হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই উপলক্ষে আজি গুৱাহাটীত আয়োজিত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়াৰ আঞ্চলিক বাতৰিত জৰুৰী অৱস্থাৰ ৰাষ্ট্ৰ সন্ত্ৰাসৰ বলি হোৱা ব্যক্তিৰ অভিমত প্ৰচাৰ কৰিব।

০০০০০০

ধেমাজি জিলা আয়ুক্তৰ সভাপতিত্বত কালি ধেমাজিৰ সদৰ মহকুমাৰ ভূমি উপদেষ্টা সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত ৬৮৬ টা ভূমি আৱণ্টন প্ৰস্তাৱত সৰ্বসন্মতিক্ৰমে অনুমোদন জনোৱা হয়। সভাত অতিৰিক্ত জিলা আয়ুক্ত, গোগামুখ, ধেমাজি আৰু চিচিবৰগাঁও ৰাজহ চক্ৰৰ বিষয়াসকলৰ লগতে মহকুমা উপদেষ্টা সমিতিৰ সদস্যসকল উপস্থিত থাকে।

০০০০০০০

ৰামধেনু যুগৰ মননশীল গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ আজি স্মৃতি দিৱস। এহাত দবা, গোলাম, অশান্ত ইলেকট্ৰন আদি গল্পৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ যোৱা সৌৰভ কুমাৰ চলিহাৰ ২০১১ চনৰ আজিৰ দিনটোত দেহাৱসান ঘটিছিল। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে স্মৃতি দিৱস উপলক্ষে সাহিত্যিকগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ড° পেগুৱে সামাজিক মাধ্যমযোগে আধুনিকতাবাদী লেখক চলিহাৰ অৱদান সমাজ জীৱনত সদায় স্মৰণীয় হৈ ৰ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০০০

৫৯ সংখ্যক এ টি পি এ শ্বিল্ড ফুটবল প্ৰতিযোগিতাত মণিপুৰৰ ফুটবল ফ'ৰ চেইঞ্জ দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত মণিপুৰ ফুটবল ক্লাবে যোৰহাট টাউন ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। খেলখনৰ ৮ মিনিটতে মণিপুৰে ১-০ৰ অগ্ৰগতি লাভ কৰে। দলটোৰ হৈ হাউলুংগে দুটা আৰু ছেলিয়েন থাঙে এটা গ'ল দিয়ে। হাউলুংগেক চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান প্ৰদান কৰা হয়। ছেলিয়েন থাঙে প্ৰতিযোগিতাখনৰ সৰ্বোচ্চ গ'লদাতা আৰু শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

০০০০০০০

**সমাপ্ত**